Department Of Assamese
Date-
Borholla College

# Borholla College

**Field Study Report**

**Area of The Study –**

**Dergaon Negheriting Shiva Doul And Sukapha Samannay Khetra**

The Report is submitted as the fulfillment of B.A. Generic (Assamese) Paper GE – I (B) For Archaeology Study.

**<u>Submitted By</u>**


Name - GUNIN BURAGOHAIN

Class - B.A. 1$^{ST}$ Semester

Roll No. - 91

Year - 2022


Gnt. Ev.
3/02/22

ক্ষেত্ৰভিত্তিক অধ্যয়ন : নেঘেৰিটিং শিৱদৌল আৰু ঢকুৱাখনা সমন্বয় ক্ষেত্ৰ




বিষয় :- অসমীয়া জেনেৰিক

প্ৰস্তুত কৰ্তা :- শ্ৰী সুনীল বুঢ়া গোহাঁই ।
স্নাতক প্ৰথম ষাণ্মাষিক
ৰোল নং - ৯১
বৰহোলা মহাবিদ্যালয় ।

আৰম্ভণি :- অসমীয়া জেনেৰিক বিষয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত এটা বিষয় হৈছে ক্ষেত্ৰভিত্তিক অধ্যয়ন । ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে কোনো এখন ঠাইৰ ইতিহাস, ঠাইখনৰ সামাজিক পৰিৱেশ ; ঠাইখন কিহৰ বাবে বিখ্যাত বা ঠাইখনত কিবা ঐতিহাসিক সম্পদ আছে নেকি ; যদি আছে কি কি আছে আদি বিভিন্ন তথ্য জানিব পাৰি ।

লগতে ক্ষেত্ৰভিত্তিক অধ্যয়নে নানাৰঙী অভিজ্ঞতাৰ লগতে জ্ঞানৰ পৰিধিৰ বৃদ্ধি কৰাত সহায় কৰে। আমাৰ বৰহোলা মহাবিদ্যালয়ৰ অসমীয়া মেজৰিকৰ ছাত্ৰ-ছাত্ৰী সকলেও পাঠ্যক্ৰম অনুসৰি ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে দুখন ঠাইক উদ্দেশ্য কৰি লৈছিলো। সেই ঠাই দুখন হ'ল - নেঘেৰিটিং শিৱদৌল আৰু স্বৰ্গদেউ চাওলুং চু-কা-ফা সমন্বয় ক্ষেত্ৰ।

<u>অধ্যয়নৰ ক্ষেত্ৰ হিচাপে নেঘেৰিটিং শিৱদৌল আৰু চুকাফা সমন্বয় ক্ষেত্ৰ :-</u>

ইং - ০৫ - ০১ - ২০২২ তাৰিখে বুধবাৰে অসমীয়া মেজৰিকৰ ছাত্ৰ-ছাত্ৰী সকলে তথা বিষয়ৰ শিক্ষাগুৰু আৰু সতীৰ্থ সকলৰ লগতে পুৱা ৮.৩০ বজাত মহাবিদ্যালয় সন্মুখৰ পৰা বাছেৰে লক্ষ্যস্থান অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলো। আমাৰ প্ৰথম লক্ষ্যস্থান আছিল নেঘেৰিটিং শিৱদৌল। বাটত যাওঁতে চাওলুং চু-কা-ফা সমন্বয় ক্ষেত্ৰ পাইছিলো যদিও তাক অতিক্ৰম কৰি আমি নেঘেৰিটিং লৈ ৰাওনা হৈছিলো। প্ৰায় আঢ়ৈ ঘন্টামানৰ মূৰত পুৱা ১১ মান বজাত আমি নেঘেৰিটিং শিৱদৌলত উপস্থিত হৈছিলো। তলত নেঘেৰিটিং শিৱদৌলৰ বিষয়ে চমু আলোচনা দাঙি ধৰা হ'ল -

<u>নেঘেৰিটিং শিৱদৌল</u> :- নেঘেৰিটিং শিৱদৌল অসমৰ গোলাঘাট জিলাৰ অন্তৰ্গত দেৰগাঁও নগৰৰ পৰা পূৰ্বে ছয় কিলোমিটাৰ মান আৱৃত মনোৰম প্ৰাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত। আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত নেঘেৰিটিং শিৱদৌল প্ৰতিষ্ঠা কৰা হৈছিল। আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই দেৰগাঁৱৰ গোলাবিল নৈৰ কাষত মহাদেৱৰ এটি মন্দিৰ নিৰ্মাণ কৰিছিল। কিন্তু নদীৰ পানীয়ে এই মন্দিৰ খহাই নিয়াত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৬৮৭ শকত নেঘেৰিটিং টিলাৰ ওপৰত নেঘেৰিটিং শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰে। প্ৰবাদ অনুসৰি জানিব পৰা যায় যে এই টিলাটো নেঘেৰি চৰাইৰ খোৰোং আছিল বাবে ইয়াৰ নাম নেঘেৰিটিং ৰখা হয়।



এই নেঘেৰিটিংৰ শিৱদৌলটো দুশ বছৰতো অধিক পুৰণি বুলি অনুমান কৰা হৈছে। তিনিকুৰি পোন্ধৰটা শিলৰ চিৰি উঠি গৈ প্ৰায় বিশ গজমান চিৰি নোখোৱাকৈ ক্ৰমান্বয়ে গ'লে উঠি যোৱা বাট অতিক্ৰম কৰি মন্দিৰৰ লোহাৰ গেটখন পোৱা যায়। গেটখনৰ ওপৰত শিলত কটা এহাল সৰ্পই যেন তুলি মহাদেৱৰ অভিষেক দাবি ধৰিছে। গেটৰ পৰা এশ গজমান গ'লেই মন্দিৰৰ বাটচৰা পোৱা যায়। এই মন্দিৰটো চৌহদৰ দহবিঘা মাটিৰ মাজতে অৱস্থিত। চেপেটা ইটাৰে সজোৱা

কটেশিৰীয়া নেঘেৰিটিং শিৱদৌল আহোম যুগৰ শিল্পকলাৰ এক সুন্দৰ নিদৰ্শন । মূল দৌলৰ চাৰিওফালে গণেশ, বিষ্ণুদুৰ্গা আৰু সূৰ্য দেৱতাৰ বিগ্ৰহ আছে । প্ৰতিটো দৌলতে এটা আগচৰা আছে । মূল দৌলত বানলিংগ প্ৰতিষ্ঠা কৰা হৈছে । অন্যমতে এই



কথা কোৱা বাহুল্য যে দেৰগাঁৱৰ শিৱদৌলৰ ঐতিহ্যপূৰ্ণ বৈশিষ্ট্য আছিল দেৱদাসী নৃত্য । এই নৃত্য কৰা সকলক 'নটী' বোলা হৈছিল আৰু এই 'নটী' সকলে নৃত্য কৰোঁতে সুৱৰ্ণ অলংকাৰ ভূষিতে বন্ধা খোপাক নেঘেৰী খোপা বোলা হৈছিল । টিনিতলীয়া নটৰ জীয়ৰী ফুলমতী দেৰগাঁৱৰ - নটী আছিল ফুলমতীৰ নৃত্যৰ মুগ্ধ হৈ স্বৰ্গদেউ শিৱসিংহই ৰাজ- কাৰেংলৈ নি ফুলেশ্বৰী কুঁৱৰী আৰু প্ৰমথেশ্বৰী নাম দি বৰৰজা পাতিছিল ।

দেৰগাঁৱৰ শিৱদৌলৰ প্ৰতি আহোম স্বৰ্গদেউ সকলৰ অসীম ভক্তি আছিল । তেওঁলোকে পূজাৰ

নিৰ্মালি লৈহে আহাৰ গ্ৰহণ কৰিছিল । ইয়াৰ বাবে দেৰগাঁৱৰ পৰা ৰংপুৰলৈ 'বৰ আলি' নামৰ এটি ডাঙৰ পথ আছিল । এই দৌলৰ প্ৰধান ঠাকুৰ জনক 'বৰঠাকুৰ বোলা হৈছিল ' দৌলত পূজা কৰিবৰ বাবে স্বৰ্গদেৱ প্ৰতাপ সিংহই দুধৰ আগমাচাৰ্য্যক পূজাৰী হিচাপে নিয়োগ কৰে আৰু সেই আগমাচাৰ্য্যৰ বংশধৰ সকলো এতিয়াও এই নেঘেৰিটিং দৌলত সেৱা আগবঢ়াই আছে ।

নেঘেৰিটিং শিৱদৌলৰ অন্য এক আকৰ্ষণ হৈছে ইয়াত থকা অসংখ্য বান্দৰ । জাক জাক বান্দৰে মন্দিৰৰ প্ৰসাদ, দৰ্শনাৰ্থীয়ে দিয়া খাদ্য খাই মন্দিৰৰ বাহিৰে - ভিতৰে দৌৰি - জাপিয়াই ফুৰে । এই শিৱদৌল বৰ্তমান বান্দৰৰ বাবেও বিখ্যাত হৈ পৰিছে ।



এই নেঘেৰিটিং শিৱদৌল কেনিৰ পাহতে আমি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি দ্বিতীয় লক্ষ্যস্থান চাওলুং চুকাফা সমন্বয় ক্ষেত্ৰলৈ বুলি উদ্দেশ্যি যাত্ৰা আৰম্ভ কৰিলো আৰু প্ৰায় দুপৰীয়া ২.৩০ বজাত আমি চাওলুং । চু-কা-ফা সমন্বয় ক্ষেত্ৰৰ প্ৰাঙ্গণত উপস্থিত হলোঁহি ।

ওলাত চু-কা-ফা ক্ষেত্ৰৰ চমু বিৱৰণ দাঙি ধৰা হল-

চাওলুং চু-কা-ফা সমন্বয় ক্ষেত্ৰ : টিকট কাটি

চু-কা-ফা সমন্বয় ক্ষেত্ৰৰ ভিতৰলৈ যাবলৈ অনুমতি লৈ আমি মুখত মাস্ক পৰিধানে সম্পূৰ্ণ নীতি নিয়মৰ মাজেৰে ক্ষেত্ৰখনৰ ভিতৰলৈ গৈছিলো। গেটৰ সন্মুখত থকা ফলক অনুসৰি ২০১৫ চনৰ ২ ডিচেম্বৰ তাৰিখে বুধবাৰে চু-কা-ফা দিৱসৰ পবিত্ৰ ক্ষণত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী স্বৰ্গত শ্ৰীযুত তৰুণ গগৈ দেৱে এই স্বৰ্গদেউ চাওলুং চু-কা-ফা সমন্বয় ক্ষেত্ৰ আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰিছিল।

আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা চাওলুং চু-কা-ফাৰ সোঁৱৰণত নিৰ্মাণ কৰা এই ক্ষেত্ৰখনত আহোম ৰাজত্বকালৰ স্বৰ্ণিম স্থাপত্য শিল্প আৰু ঐতিহ্যমণ্ডিত কলা-সংস্কৃতিক বিস্তৃত ৰূপত প্ৰতিফলিত কৰা হৈছে।

প্ৰথমেই আমি চাওলুং চু-কা-ফা দেৱৰ স্মৃতিসৌধ দৰ্শন কৰিবলৈ গৈছিলো। চাৰিওকালে নিৰ্মল পানীৰ শিলেৰে বন্ধা দ পুখুৰীৰ মাজত চিৰি বগাই যাব পৰাকৈ ওখ স্থানত প্ৰতিষ্ঠিত হৈ আছে অসমত আহোম ৰাজ্যৰ প্ৰতিষ্ঠাপক স্বৰ্গদেউ চাওলুং চু-কা-ফা দেৱৰ জীৱন্ত প্ৰতিমূৰ্তি। পুখুৰী কেইটাৰ মাজেৰে দৰ্শন কৰিব পৰাকৈ দু-ৰাস্তা আছে। ইয়াৰ সোঁহাতে

কাষতে লাগি আছে এটা আৰ্ট গেলাৰী । আৰ্ট গেলাৰীটোৰ পৰা চুকাফাই লগত দা-ডাঙৰীয়া ; সৰ্প, হাতী ঘোঁৰা আদি লৈ পাটকাই পাৰ হৈ অসমলৈ অহা, অসমত আহোম ৰাজ্যৰ প্ৰতিষ্ঠা কৰা । চুকাফাৰ জন্ম, চুকাফাৰ নাং ভৰা চেংৰ লগত হোৱা বিবাহ ; চুকাফাৰ কফাকৰ শেষ স্মৃতি, আহোম সকলৰ বংশধৰৰ স্বৰ্গৰ পৰা নামি অহা আদি বিভিন্ন তথ্য পোৱা যায় । আৰ্ট গেলাৰীটোত সজীৱ ৰূপত এই চিত্ৰবোৰ অংকিত হৈ আছে ।



ইয়াৰ পাছতে আমি দৰ্শন কৰিবৰ বাবে চাওলুং চুকাফা দেৱৰ প্ৰতিমূৰ্ত্তিৰ বাওঁফালে থকা সংগ্ৰহালয়টোত প্ৰবেশ কৰিলো । সংগ্ৰহালয়টোত অসমৰ সমাজ জীৱনত ব্যৱহাৰ কৰা প্ৰতিটো বস্তু, অসমৰ সাংস্কৃতিৰ বৰ্ণালীটো যেন ইয়াতেই আছে । প্ৰথম সোমায়েই আমি বাওঁফালে সংৰক্ষণ কৰি থোৱা দোলা, ৰবটোপ, জাকৈ, খালৈ, চেপা, জপা, বান-কাঠী, বান বাতি, মাইহাং, হুৰাকো ; ঢেঁকী, বাঁহ, বিৰিয়া, শাল, বিভিন্ন খেংদাং ; পাট কুঁৱাৰ জীৱনচক্ৰ, আহোম সকলৰ সাজ-পাৰ.

আহোম সকলৰ বিধি মন্ত্ৰ সম্বলিত পুথি, আৰু নানান জনজাতীয় সাজপাৰ দেখিবলৈ পালোঁ। তাৰ পিছত প্ৰৱেশদ্বাৰৰ সোঁফালে আমি ইয়াত আহোম সকলৰ প্ৰতিমূৰ্তিৰে সৈতে. চকলং বিবাহ, বিধি পূজা, আখৈ তোলা প্ৰথা; শালি ধানৰ খেতি কৰা, মোমাই তামুলী বৰবৰুৱাৰ লোকশিল্প, বয়নশিল্প, বিহু; আহোম সকলৰ বিভিন্ন লোকাচাৰৰ লগতে পাট-মুগা, পলু পালন; বাগানীয়া মহিলা; সুখাপাৰ্কৰ যুঁজ; শৰাইঘাটৰ ৰণ আদি দেখিবলৈ পালো, লগতে সোঁ মাজতে দেখিবলৈ পালো আহোম ৰজা "সভা", যত চা-চাওৰীয়া; দেওবৰুৱাৰ সৈতে আহোম স্বৰ্গদেউৰে সিংহাসনত বহি আছে। সুন্দৰ কলা-কুশলীয়ে নিৰ্মিত এই সংগ্ৰহালয়ৰ ওপৰ মহলাতো ঠিক তেনেদৰেই প্ৰতিমূৰ্তিৰে সৈতে বিভিন্ন জনজাতীয় লোকৰ জীৱনশৈলী, আহোম সকলৰ নিজা সাজ-পাৰৰ লগত, জনজাতীয় লোক সকলোকো নিজা সাজ-পাৰৰ লগত সংৰক্ষণ কৰি থোৱা হৈছে। এই সংগ্ৰহালয়তেই অসমৰ বিচিত্ৰ সংস্কৃতিৰ সমন্বয় ঘটিছে।

<u>সামৰণি</u> ঃ স্বৰ্গদেউ চাওলুং চু-কা-ফা সমন্বয় ক্ষেত্ৰ দৰ্শন কৰি আমি সকলো আবেলি ৪.৩০ মান বজাত বাছেৰে ঘৰমুৱা হৈছিলো। আমি দৰ্শন কৰা দুয়োখন ঠাইয়েই এনে নেঘেৰিটিং শিৱদৌল আৰু চাওলুং চু-কা-ফা সমন্বয় ক্ষেত্ৰ আহোম সকলৰ লগত নিবিড়ভাৱে সম্পৰ্কিত। এই দুয়োখন ঠাই দৰ্শন কৰি আমি কব পাৰো যে - শিল্পকলা, সংস্কৃতিৰ

ক্ষেত্র অঞ্চলে আমাদের সকলের অবদান অনন্য।
টিই হখন প্রধান কতি অভিজ্ঞতা হোবার আমি
যথেষ্ট লাভান্বিত হলো।